समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৯



এটা খড়গ থকা গাঁড় অসমৰ সম্পদ,
এই গাঁড় বধ কৰাজন অসমৰ বৈৰী।

ইণ্টাৰনেটৰ তিতা-মিঠা

অংশ - ২

অংগৰাগ ভূঞা

মাজতে মাত্ৰ স্কুলৰ পৰা কৰিবলৈ দিয়া 'গৃহকৰ্ম'খিনি কৰি লৈ পুনৰ ৰাতিৰ আহাৰ গ্ৰহণ কৰাৰ আগলৈকে বা কেতিয়াবা তাৰ পিছতো তাই ইণ্টাৰনেটক লৈয়ে ব্যস্ত। মাকৰ হাক-বচনলৈ তাই কাণষাৰেই নকৰা হ'ল। তাইৰ বান্ধৱী এজনীৰ ইণ্টাৰনেট সংলগ্ন মোবাইলো আছে। গতিকে স্কুলতো এতিয়া সময়-সুবিধা বুজি নেটৰ সোৱাদ ল'বলৈ কৃপণালি নকৰে। বান্ধৱীজনীয়ে ম'বাইলত ফেচবুক, ৱাটছএপ আদিও ব্যৱহাৰ কৰে।

বান্ধৱীজনীলৈ ৱাটছএপৰ জৰিয়তে অহা বিভিন্ন ধৰণৰ মেচেজবোৰৰ মাজতে সিহঁত ব্যস্ত হৈ থাকে। বান্ধৱীজনীয়ে হেনো স্কুললৈ আহোঁতে-যাওঁতে গাড়ীতো ম'বাইল ব্যৱহাৰ কৰে। আনকি ফুৰিবলৈ গ'লেও বা সম্বন্ধীয় লোক বা আলহী-অতিথিৰ সন্মুখতো বিবাহ-উৎসৱ-অনুষ্ঠানৰ সকলো ঠাইতে হাতত ম'বাইল লৈ ইণ্টাৰনেটতে ব্যস্ত হৈ থাকে। চৌপাশৰ পৰিৱেশলৈ কোনো ভ্ৰূক্ষেপেই নাই। মাজে মাজে কাণত হেডফোন লগাই গান বা চিনেমাৰ ৰঙীন পৃথিৱীত মচগুল হৈ থাকে।

এটা কথাই কুঁৱলীৰ মনত শংকাৰ সৃষ্টি কৰিলে। তাইৰ বান্ধৱীজনীৰ ভায়েক পলে হেনো ইমানকৈ ইণ্টাৰনেটত গেম খেলিবলৈ আৰম্ভ কৰিছে যে তাৰ পঢ়া-শুনাৰ প্ৰতি মনোযোগ একেবাৰে কমি আহিছে। সুবিধা পালেই স্কুল খটি কৰি দিনৰ দিনটো মোবাইলত গেম খেলাত ব্যস্ত হৈ থাকে। পঢ়া-শুনাত সৰুতে বেচ নাম কৰা পলে হেনো এইবাৰ ছয়মাহিলি পৰীক্ষাত কেইবাটাও বিষয়ত বেয়া কৰিছে। কুঁৱলীৰ মনটো বিষাদগ্ৰস্ত হ'ল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

লাহে লাহে কুঁৱলীৰ ধাৰণা হৈছে তায়ো- যেন পৰিয়াল, আপোনজন, ওচৰ-চুবুৰীয়া মানুহ সকলোৰে পৰা ক্ৰমাৎ আঁতৰি আহিছে। সিদিনা পৰিয়ালসহ অতুল মামা আহোঁতে তাই দেখোন মাতষাৰ দিবলৈকে নগ'ল। ওচৰৰে বিয়া-বাৰুলৈ যোৱাৰ নামেই নল'লে। ৰাস্তাই-ঘাটে দেখোন সমনীয়া আৰু বয়োজ্যেষ্ঠজনৰ প্ৰতি সামান্য সৌজন্যবোধ দেখুৱাবলৈকো পাহৰি গ'ল। কল্পনাৰ ৰঙীন তথা অবাস্তৱ জগতখনতহে অবিৰাম উটি-ভাঁহি ফুৰা হ'ল।

তাই দেখোন দৈনন্দিন জীৱনৰ আৱশ্যকীয় সকলো দিশতে সম্পূৰ্ণ আনমনা হৈ পৰিল। ঘৰুৱা কাম-বন তথা অন্যান্য দায়িত্বৰ প্ৰতি উদাসীন হৈ কেৱল মাথোঁ কম্পিউটাৰটোৰ সন্মুখতে বহি থকা হ'ল। এলাহ ভাবো ক্ৰমে বেছি হ'বলৈ ধৰিলে। মূৰটোও অনবৰতে বিষাই থকা হ'ল। ইয়ে তাইৰ পঢ়া-শুনাতো ব্যাঘাত জন্মালে। বাহিৰা কিতাপ-পত্ৰ, আলোচনী, বাতৰি-কাকতৰ লগত সম্বন্ধই নোহোৱা হৈ পৰিল।

নেটত পোৱা কিছুমান তথ্যত বিসংগতিও ধৰা পেলালে স্কুলৰ শিক্ষক-শিক্ষয়িত্রীয়ে। তদুপৰি ছ'চিয়েল মিডিয়াত প্রচাৰিত কিছুমান খবৰে উৰা-বাতৰিৰ ৰূপ লৈ সমাজখনৰ ক্ষতি কৰাৰ কথাও স্কুলৰ ময়ূৰী বাইদেৱে সিদিনা সিহঁতক বুজাই দিলে।

কথাবোৰ ভাবি-গুণি কুঁৱলীৰ মনটো ভাৰাক্রান্ত হে পৰিল। দিনকদিনে বাঢ়ি অহা ইণ্টাৰনেটৰ প্রতি আসক্তি তথা মনৰ পৰিৱর্তনবোৰৰ কথা ক'বলৈ তাই শ্বাবানা বাইদেউৰ ওচৰলৈ ঢাপলি মেলিলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

শ্বাৱানা বাইদেৱে তাইৰ কথাবোৰ মনোযোগ শুনি মিঠা হাঁহি এটাৰে তাইক ক'বলৈ ধৰিলে- 'এটা মুদ্রাৰ দুটা পিঠিৰ দৰে এই বিশ্বব্রহ্মাণ্ডৰ প্রতিটো ভৌতিক বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে। সূর্য সর্বশক্তিৰ আধাৰ। সূর্যৰ তাপ-পোহৰ নথকা হ'লে এই ধৰাত জীৱ আৰু উদ্ভিদকুলৰ জানো অস্তিত্ব থাকিলেহেঁতেন। ইয়াৰ বিপৰীত ছবিখন আকৌ এনে-সূর্য্যৰ উৎকট তাপত জহকালি আমি দেখোন বাটলৈ ওলাব নোৱাৰোঁ, ঠায়ে ঠায়ে মানুহ তথা জীৱ-জন্তুৰ লগতে গছ-লতিকাও মৃত্যুমুখত পৰে।

কিন্তু সেইবুলি আমি জানো সূর্যৰ শক্তিক উপেক্ষা কৰিব লাগে? উৎকট গৰমৰ পৰা পৰিত্রাণ পাবলৈ আমি সামর্থ্য অনুসৰি যথোচিত ব্যৱস্থা গ্রহণ কৰিলেই হ'লহ্ল একেদৰে ইণ্টাৰনেটৰো মিঠা সুবিধাৰ লগতে তিতা অসুবিধাও আছে। মিঠা সুবিধাসমূহে মানৱ সভ্যতাক উন্নতিৰ জখলাত ত্বড়িৎ গতিৰে আগবঢ়াই নি উন্নতিৰ সোপান ৰচিব পাৰিব। অৱশ্যে এই সীমাহীন সুবিধাসমূহৰ তুলনাত বেয়া দিশবোৰ নিষ্প্রভ কৰি তুলিব লাগিব।

এই লক্ষ্যত পূৰ্ণমাত্ৰাই সফলতা তেতিয়াহে লাভ কৰিব পৰা যাব, যেতিয়া সেই বেয়া দিশ তথা কু-ব্যৱহাৰৰ পৰা আঁতৰি থাকিবলৈ সকলোৱে দৃঢ়প্ৰতিজ্ঞ হ'ব। আৰু এটা গুৰুত্বপূৰ্ণ বিষয় এয়ে যে ফেচবুক, বাচ্চএপ আদি চ'চিয়েল মিডিয়াৰ জগতখনত নতুন প্ৰজন্ম সোমাই পৰিছে। ইয়াৰ ফলত তেওঁলোকে কিতাপৰ জগতখনৰ পৰা আঁতৰি অহাই নহয়, খেলা-ধূলাৰ ফালেও সম্পূৰ্ণ পিঠি দিছে। তোমালোকে এটা কথা সদায় মনত ৰাখিবা যে মোবাইলত

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


থকা ৱাটছএপ, টুইটাৰ, ইউ টিউব, ফেচবুক আদিৰ দ্বাৰা বহুতো মিছা বাতৰিও প্রচাৰ হয়। এজনে আনজনলৈ প্রেৰণ কৰা কিছুমান ভুৱা বাতৰিয়ে সমাজত ভয়ানক সমস্যাৰ সৃষ্টি কৰাৰো উদাহৰণ আছে। গতিকে কিবা এটা পালেই সেয়া বিশ্বাসযোগ্যতাৰ প্রমাণ নোহোৱাকৈ যাৰে-তাৰে মোবাইললৈ পঠিয়াই নিদিবা। এই দিশত পূৰামাত্রাই সচেতন হ'বা।'

অনুশোচনা ভৰা তথা আত্ম উপলব্ধি ভৰা মন লৈ কুঁৱলী শ্বাৱানা বাইদেউৰ ঘৰৰপৰা উভতি আহিল।

বাটে বাটে তাই ভাবি আহিল এতিয়াৰে পৰা ইণ্টাৰনেটৰ সুবিধা তাই পঢ়া-শুনা, খেলা-ধূলা তথা মাক-দেউতাকে ন্যস্ত কৰা সকলো ধৰণৰ দায়িত্ব সামৰিহে গ্ৰহণ কৰিব। মাক-দেউতাকে অনুমতি নিদিয়া কোনো ধৰণৰ কাৰ্যক্ৰম ইণ্টাৰনেটত আৰু উপভোগ নকৰে। তদুপৰি ইণ্টাৰনেটৰ ব্যৱহাৰে যাতে সমনীয়া তথা বয়োজ্যেষ্ঠজনৰ প্ৰতি থকা দায়িত্ববোধ তিলমানো হ্ৰাস নকৰে তাৰ প্ৰতি সচেতন হ'বলৈও তাই দৃঢ়প্ৰতিজ্ঞ হ'ল।


কুঁৱলীৰ দৃঢ় বিশ্বাস, এই প্ৰতিজ্ঞাসমূহ আখৰে আখৰে পালন কৰিলে তাইৰ জ্ঞানৰ পৰিধিয়ে আকাশ চুব। লগতে সমাজৰ প্ৰতিও তাইৰ দায়বদ্ধতা অক্ষুন্ন থাকিব। এই অনাবিল অভিজ্ঞতা থকা উপলব্ধি সকলো বন্ধু-বান্ধবীক জনাবলৈ তাই উদগ্ৰীৱ হৈ পৰিল। সেয়ে ইণ্টাৰনেট সংলগ্ন কম্পিউটাৰ উপহাৰ পোৱাৰ দিন ধৰি হোৱা তাইৰ অভিজ্ঞতাসমূহ পুংখানুপুংখৰূপে বৰ্ণনা কৰি কুঁৱলীয়ে সকলো বন্ধু-বান্ধৱীলৈ ই-মেইল কৰিলে।

এটা অতি আশাভৰা মন। তাই আশা কৰিলে- তাইৰ চিনাকি-অচিনাকি সকলোৱে এহাতে ইণ্টাৰনেটৰ শেৱালি সুৱাসেৰে মন-প্ৰাণ পুলকিত কৰক আৰু আনহাতে ইণ্টাৰনেটৰ কু-প্ৰভাৱৰ কেঁকো�ৰা চেপাৰ পৰা মুক্ত হৈ থাকক।



মূল্যায়ন






১ | পাঠটোৰ শেষত কুঁৱলীয়ে কি আশা কৰিছিল?

মূল্যায়ন



২ | সর্বশক্তিৰ আধাৰ কি?



মূল্যায়ন





৩ | কুঁৱলীয়ে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধান কোনে কৰিছিল?